# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
-------------------

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জালুকবাৰীৰ ড° ভূপেন হাজৰিকা সমন্বয় তীৰ্থত আয়োজিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ববৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** শীৰ্ষক চিৰ সেউজ গীতটি পৰিৱেশন কৰা হয়। মুখ্যমন্ত্ৰীয়ে  ৰাজ্যৰ বিভিন্ন স্থানত এই গীতটি পৰিৱেশন কৰাৰ বাবে শিল্পী, ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণক ধন্যবাদ জনায়। তেওঁ কয়, যে **মানুহে মানুহৰ বাবে** গীতটো কেৱল অসমৰেই নহয়, সমগ্ৰ মানৱ জাতিৰে সম্পদ। এই গীতটো সমগ্ৰ বিশ্বৰ মানৱতাৰ গীত হিচাপে স্বীকৃতি প্ৰদানৰ বাবে ৰাষ্ট্ৰসংঘক অনুৰোধ জনাবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। অসম আৰু অৰুণাচল প্ৰদেশৰ সম্পৰ্কক সুধাকণ্ঠই অধিক শক্তিশালী কৰি তুলিছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বৰেণ্য শিল্পীগৰাকীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে ধলা-শদিয়াৰ ড০ ভূপেন হাজৰিকা সেতুৰ জিৰো পইণ্টত তেওঁৰ প্ৰায় ১০০ ফুট উচ্চতাৰ এটি বিশাল প্ৰতিমূৰ্তি স্থাপনৰ পৰিকল্পনা কৰা হৈছে। ইতিমধ্যে লোকনিৰ্মাণ বিভাগে এই প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে অসমৰ প্ৰতিখন চহৰত এটাকৈ পথ ড০ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰা হ'ব বুলি উল্লেখ কৰে। অসম আন্দোলনৰ পটভূমিত ছহিদসকলক সুঁৱৰি সুধাকণ্ঠই ৰচনা কৰা **ছহিদ প্ৰণামো তোমাক** শীৰ্ষক গীতটিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে গুৱাহাটীৰ নৱনিৰ্মিত ছহিদ স্মাৰক ভৱনৰ উদ্বোধনৰ সৈতে সংগতি ৰাখি অহা ১০ ডিচেম্বৰত এই গীতটি সমগ্ৰ ৰাজ্যজুৰি পৰিৱেশনৰ ব্যৱস্থা কৰা হ'ব। আজিৰ অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপৰি বিভাগটোৰ অতিৰিক্ত মুখ্য সচিব ড০ বি কল্যাণ চক্ৰৱৰ্তী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসকে ধৰি কেইবাগৰাকী শিল্পী তথা বিষয়ববীয়া উপস্থিত থাকে।

ooooo

ৰাজ্যৰ ৩৫ খন জিলা আৰু ২৭ খন সমজিলাত ড০ ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীত আজি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰতিখন জিলা সদৰত ৫ হাজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী আৰু কলা-কুশলীয়ে মানৱ শৃংখলৰ জৰিয়তে **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

কামৰূপ মহানগৰ জিলা প্ৰশাসনে লতাশিল খেল পথাৰত সুধাকণ্ঠৰ সাংস্কৃতিক অৱদানক সুঁৱৰি বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভূপেন্দ্ৰ সংগীত, নৃত্যানুষ্ঠান আদি অনুষ্ঠিত

হয়। সদৌ অসম ছাত্ৰ সন্থাই দীঘলীপুখুৰীৰ পাৰত শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধা নিবেদন কৰে। কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগত অটো-ৰিক্সা সমদল উলিওৱা হয়।

**ধুবুৰী** জিলাৰ ভোলানাথ মহাবিদ্যালয়ৰ খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত দিনৰ ১১ বজাৰ পৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

**কোকৰাঝাৰত** মৃত্যুবাৰ্ষিকীত বিশ্ববৰেণ্য শিল্পীগৰাকীক স্মৰণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বড়ো ভাষাত শিল্পীগৰাকীৰ **মানুহে মানুহৰ বাবে** গীতটি পৰিৱেশন কৰে।

**নলবাৰী** জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ গৰ্ডন খেলপথাৰত ড০ ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী পালন কৰা হয়।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালিৰে পৰা ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। সত্ৰ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ **মাজুলীৰ** কেইবাখনো মঞ্চত কালিৰে পৰা অনুষ্ঠিত ৰাস মহোৎসৱ উপভোগ কৰাৰ বাবে বহু লোকৰ সমাগম হৈছে। জিলাখনৰ উত্তৰ-কমলাবাৰী সত্ৰত ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলিগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাত তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত ৰাস অনুষ্ঠিত হৈছে। এই ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত 'মাজুলীৰ ৰাস লীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে। আউনীআটী, চামগুৰি, বেঙেনাআটীকে ধৰি প্ৰায়বোৰ সত্ৰতে শ্ৰীকৃষ্ণৰ ৰাসলীলা উদযাপন কৰা হৈছে। ৰাসৰ পৰিপ্ৰেক্ষিতত কাইলৈ মাজুলীত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে।

**নলবাৰীৰ** শ্ৰীশ্ৰীহৰি মন্দিৰত আজিৰে পৰা ১৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৯২ সংখ্যক ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। সন্ধিয়া বৰপেটা সত্ৰৰ বুঢ়াসত্ৰাধিকাৰ ড০ বাবুল চন্দ্ৰ দাসে ৰাস মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। কাইলৈ অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানতো আজিৰে পৰা ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ ঐতিহ্যমণ্ডিত ৰাস মহোৎসৱ এইবাৰ ১৫ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। বৰপেটা ৰোডত ৯৭ সংখ্যক ৰাস মহোৎসৱ ১৮ দিনীয়াকৈ অনুষ্ঠিত হৈছে।

**মঙলদৈৰ** সনাতন ধৰ্ম সভাৰ উদ্যোগত আজিৰে পৰা ১৩ নৱেম্বৰলৈ ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

একেদৰে **চৰাইদেউ** জিলাৰ মোহনগাঁও ৰজাপুখুৰী বৰনামঘৰত আজিৰে পৰা তিনিদিনীয়াকৈ ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। মহোৎসৱত আজি ভাওনা প্ৰদৰ্শন কৰাৰ লগতে কাইলৈ আৰু পৰহিলৈ মহাৰাস প্ৰদৰ্শন কৰা হ'ব।

**শিৱসাগৰ** নগৰৰ ঢুলীয়াপাৰত চাৰিদিনীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱ কালি মন্ত্ৰী যোগেন মহনে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কালি ৰাস মহোৎসৱত কৃষ্ণৰ ৰাস লীলাৰ শিশুলীলা খণ্ড পৰিৱেশন কৰা হয়।

**গোৱালপাৰা** জিলাৰ বিভিন্ন ঠাইত কালিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস মহোৎসৱ অনুষ্ঠিত হৈছে। দুধনৈত ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। **পাঠশালা**তো কালিৰে পৰা ১৫ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। **ধুবুৰী** জিলাৰ বিলাসীপাৰাতো কালিৰে ১৬ দিনীয়া কাৰ্যসূচীৰে ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱস্থলীত মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ বিভিন্ন লীলা জীৱন্ত ৰূপত দাঙি ধৰা হৈছে। **দৰং** জিলাৰ দীঘিৰপাৰত ১১ দিনীয়াকৈ ৰাসৰ আয়োজন কৰা হৈছে।

**বাক্সা** জিলাৰ পূব খাগ্ৰাবাৰীৰ ৯২ সংখ্যক ৰাস মহোৎসৱ আজিৰে পৰা সাদিনীয়াকৈ অনুষ্ঠিত হৈছে। বিগত বছৰৰ দৰে এইবাৰো খাগ্ৰাবাৰীৰ ৰাস উদযাপন সমিতিয়ে জীৱন্ত ৰাসলীলাৰ গোপী নাচ প্ৰদৰ্শন, শিশু কৃষ্ণ প্ৰতিযোগিতা, ৰাধা-কৃষ্ণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জিলাখনৰ গোলাগাঁও, দীঘলডঙা, বৰমা, থমনা, কেশৰ নগৰতো ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদ কৰ্মীয়ে বিভাগটোলৈ সেৱা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব অহা শনিবাৰ ৮ নৱেম্বৰৰ নিশা আকাশবাণীৰ ষ্টুডিঅ'। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ প্ৰযোজনা, পৰিচালনা আৰু পৰিকল্পনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

ঃঃ সমাপ্ত ঃঃ